**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2026
**Time :** 2125 PM

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

০০০০০০০

ৰাভা হাছং, মিচিং আৰু তিৱা স্বায়ত্ত শাসিত পৰিষদক সাংবিধানিক মৰ্যাদা প্ৰদান সম্পৰ্কে আলোচনা কৰাৰ বাবে মেঘালয়ৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান এল আৰ বিষ্ণয়ক মধ্যস্থতাকাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই সন্দৰ্ভত ইতিমধ্যে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ এই সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। ডাঃ পেগুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এই পদক্ষেপে জনগোষ্ঠী তিনিটাৰ আশা-আকাংক্ষা পূৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০০০

গুৱাহাটী মহানগৰ আৰক্ষীয়ে শাৰদীয় দুৰ্গোৎসৱ শান্তিপূৰ্ণ আৰু সুৰক্ষিতভাৱে উদযাপনৰ লক্ষ্যৰে পুজা সমিতিসমূহৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সমসিতিসমূহে নিশা ১০ বজাৰ পিছত উচ্চস্তৰত মাইক আৰু চাউণ্ড চিষ্টেম বজাব নোৱাৰিব। প্ৰতিখন পূজা মণ্ডপত চিচি টিভি কেমেৰা স্থাপন কৰিব লাগিব। নিশালৈ স্বেচ্ছাসেৱক নিয়োজিত কৰিব লাগিব আৰু সমিতিসমূহৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত স্বেচ্ছাসেৱকৰ ব্যৱস্থা কৰা উচিত। পূজাৰ সময়ছোৱাত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ উদ্দেশ্যে পূজাস্থলীত অসামৰিক পোচাকতো আৰক্ষীৰ লোক নিয়োগ কৰা হ'ব। ভীৰ নিয়ন্ত্ৰণ আৰু শৃংখলা বৰ্তাই ৰখাৰ স্বাৰ্থত পুৰুষ আৰু মহিলাৰ প্ৰৱেশ-প্ৰস্থানৰ বাবে পৃথক পথৰ ব্যৱস্থা কৰাটো বাধ্যতামূলক কৰা হৈছে। একেদৰে দুচকীয়া বাহন চলোৱাৰ ক্ষেত্ৰত হেলমেট পৰিধান বাধ্যতামূলক কৰা হৈছে। সুৰাপায়ী চালকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীয়ে স্পষ্ট কৰি দিছে। প্ৰতিমা বিসৰ্জনৰ বাবে পাণ্ডু আৰু লাচিত ঘাটত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। প্ৰতিমাসমূহ ব্ৰহ্মপুত্ৰৰ বুকুলৈ নিয়াৰ বাবেও বিশেষ ব্যৱস্থা লোৱা হৈছে। চুনচালি ঘাটত বিসৰ্জনৰ ব্যৱস্থা কৰাৰ বিষয়েও আলোচনা চলি আছে বুলি মহানগৰ আৰক্ষীয়ে জানিবলৈ দিছে। আৰক্ষীয়ে সকলো পুজা সমিতিক নিৰ্ধাৰিত নীতি-নিয়ম মানি চলিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত গুৱাহাটী মহানগৰ আৰক্ষীৰ যুটীয়া আয়ুক্ত অংকুৰ জৈনে এইদৰে কয়-

বাইট-আৰক্ষী যুটীয়া আয়ুক্ত অংকুৰ জৈন

০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰিব। এই আঁচনিৰ দ্বাৰা ৫ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰীসকলক ৮০০ টকাকৈ, স্নাতক ছাত্ৰীসকলক এহেজাৰ ২৫০ টকাকৈ, স্নাতকোত্তৰ আৰু বি.এডৰ ছাত্ৰীসকলক দুহেজাৰ ৫০০ টকাকৈ আৰু পলিটেকনিকৰ ছাত্ৰীসকলক ৮০০ টকাকৈ প্ৰদান কৰা হ'ব। একেদৰে নিযুত বাবু আঁচনিৰ অধীনত স্নাতক ছাত্ৰসকলক এহেজাৰ টকাকৈ আৰু স্নাতকোত্তৰ ছাত্ৰসকলক দুহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত দিনৰ ১১ বজাত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক প্ৰদ্যুৎ বৰদলৈকে ধৰি আন কেইবাগৰাকী বিধায়কে অংশ ল'ব।

০০০০০০

ৰাজ্যত খেল মহাৰণৰ তৃতীয় সংস্কৰণৰ বাবে কালি পৰ্যন্ত ২০ লাখ যুৱক-যুৱতীয়ে নাম পঞ্জীয়ন কৰিছে। মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে আজি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰি খেল মহাৰণক লৈ ৰাজ্যৰ প্ৰতিটো প্ৰান্তত সৃষ্টি হোৱা অভূতপূৰ্ব উৎসাহে ক্ৰীড়াৰ প্ৰতি যুৱ প্ৰজন্মৰ গভীৰ আগ্ৰহ আৰু অপাৰ সম্ভাৱনাৰ কথাকে প্ৰতিফলিত কৰা বুলি উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীৰ

কাৰ্যালয়ে লগতে ৰাজ্যৰ যুৱ প্ৰতিভাই নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰি নতুন শিখৰত উপনীত হ'বলৈ সম্পূৰ্ণৰূপে সাজু বুলি প্ৰকাশ কৰে।

০০০০০০০

ৱেষ্ট ইণ্ডিজে হায়দৰাবাদত অনুষ্ঠিত পাঁচখনীয়া টি টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলত ভাৰতক জয়ৰ বাবে ২৪৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেট হেৰুৱাই ২৪৭ ৰাণ কৰে। ৱেষ্ট ইণ্ডিজৰ হৈ অধিনায়ক ছাই হ'পে ৫০টা বলত ১০২ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈকে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ৬০ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

০০০০০

ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰ নিবাসী বিশিষ্ট সমাজকৰ্মী আলহজ আমানউল্লা আনচাৰিৰ আজি পুৱা হৃদৰোগত আক্ৰান্ত হৈ দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৪ বছৰ।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ